অধ্যায় ১৪ ঃ ৰামধেনু যুগৰ সাহিত্য — ১

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ৰামধেনু যুগৰ সাহিত্য
১৪.৩.১ কবিতা
১৪.৩.২ উপন্যাস
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কোনখিনি সময়ক ৰামধেনু যুগ বুলি কোৱা হয় সেই কথা নির্দিষ্টকৈ উল্লেখ কৰিব পাৰিব
- ৰামধেনু যুগৰ অসমীয়া সাহিত্যৰ পটভূমি সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- ৰামধেনু যুগৰ অসমীয়া সাহিত্যিকসকলৰ পৰিচয় লাভ কৰাৰ লগতে সেই সময়ৰ অসমীয়া সাহিত্যৰ দুটা শাখা — কবিতা আৰু উপন্যাস সম্পর্কে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব।

১৪.২ পৰিচয়

আগৰ অধ্যায়কেইটাত আপুনি শংকৰোত্তৰ, অৰুণোদয় আৰু জোনাকী যুগৰ অসমীয়া সাহিত্য সম্পর্কে অধ্যয়ন কৰিলে। এই অধ্যায়টিত তাৰ পৰৱর্তী স্তৰ ৰামধেনু যুগৰ অসমীয়া সাহিত্য সম্পর্কে অধ্যয়ন কৰিব।

জোনাকী যুগৰ সাহিত্যৰ ভেটিতে গঢ় লৈ উঠা এক বিকাশমান অৱস্থাই হ'ল ৰামধেনু যুগৰ অসমীয়া সাহিত্য। মন কৰিব যে 'ৰামধেনু যুগ' নামকৰণৰ আঁৰত আছে *জোনাকী* কাকতৰ পৰৱর্তী সময়ত প্রকাশ পোৱা *ৰামধেনু* নামৰ আলোচনীখন। *জোনাকীৰ* পৰৱর্তী অসমীয়া সাহিত্যৰ নতুন প্রৱাহটোক এক স্থিৰ ৰূপ প্রদান কৰাৰ ক্ষেত্রত ১৯৫১ চনত প্রকাশ পোৱা *ৰামধেনু* আলোচনীখনে এক গভীৰ ভূমিকা পালন কৰিছিল। ১৯৩৭ চনত চন্দ্রকুমাৰ আগৰৱালাৰ আৰু ১৯৩৮ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যুৰ পাছতেই অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ প্রায়

অৱসান ঘটে বুলি ক'ব পাৰি। *ৰামধেনু* আলোচনীখন ১৯৫১ চনৰ পৰা প্ৰকাশ পাইছিল যদিও অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলৰ একাংশই ১৯৪০-৭০ চনৰ সাহিত্যৰাজিক বুজাবলৈ 'ৰামধেনু যুগৰ অসমীয়া সাহিত্য' অভিধাটি ব্যৱহাৰ কৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে ১৯৪০ চনৰ পাছৰ সাহিত্যৰাজিক সূচাবলৈ অসমীয়া সাহিত্যত 'স্বৰাজোত্তৰ কালৰ অসমীয়া সাহিত্য', 'যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্য' আদি অভিধাও ব্যৱহাৰ কৰা হয়। অৱশ্যে এই অভিধাকেইটাই কোনো ধৰণৰ দ্ব্যৰ্থকতা বহন নকৰে। অধ্যায়টিৰ অধ্যয়নে আপোনাক ৰামধেনু যুগৰ অসমীয়া সাহিত্য সম্পৰ্কে বিস্তৃত ধাৰণা প্ৰদান কৰিব।

১৪.৩ ৰামধেনু যুগৰ সাহিত্য

আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস অধ্যয়ন কৰোঁতে আপুনি নিশ্চয় লক্ষ্য কৰিছে যে এই সময়ছোৱাৰ অসমীয়া সাহিত্যৰ যুগ বিভাজনৰ ক্ষেত্ৰত একো একোখন আলোচনীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। *জোনাকী* কাকতৰ পাছত অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিৰ ক্ষেত্ৰত *ৰামধেনু* আলোচনীয়ে গ্ৰহণ কৰা ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ১৯৪০-৭০ চনৰ সময়ছোৱাক 'ৰামধেনু যুগৰ অসমীয়া সাহিত্য' বুলি অভিহিত কৰা হয়।

ৰামধেনু যুগৰ সময়খিনি ভাৰতকে ধৰি সমগ্ৰ বিশ্ব বিভিন্ন ঘটনা-পৰিঘটনাৰে জৰ্জৰিত। বিশেষকৈ দ্বিতীয় মহাসমৰৰ পাছত সমগ্ৰ বিশ্বতে আৰম্ভ হয় নৈৰাজ্যবোধ আৰু মানুহৰ সামাজিক-নৈতিক অৱক্ষয়। অসমো ইয়াৰ পৰা সাৰি নগ'ল। শৈলেন ভৰালীৰ ভাষাৰে— "মহাযুদ্ধই সৃষ্টি কৰিলে মুদ্ৰাস্ফীতি, অনাটন আৰু আনুষঙ্গিক অনেক সমস্যাৰ। নৈতিক, সামাজিক আৰু মানৱীয় মূল্যবোধৰ চৰম অৱনতিয়ে জাতীয় জীৱনক প্ৰচণ্ডভাৱে আঘাত কৰিলে।" এইবোৰে সাহিত্যক্ষেত্ৰতো প্ৰভাৱ বিস্তাৰ কৰে। মন কৰিব যে ৰামধেনু যুগৰ সাহিত্যিক পটভূমিৰ মূলতে আছিল দ্বিতীয় বিশ্বযুদ্ধ, ভাৰতৰ স্বাধীনতা আন্দোলন, স্বাধীনতা লাভ, মোহভংগৰ যন্ত্ৰণা আদি। দ্বিতীয় বিশ্বযুদ্ধই মানুহৰ প্ৰচলিত সামাজিক দৃষ্টিভংগী তথা মূল্যবোধক কুঠাৰঘাত কৰে। এই সময়তেই ভাৰতবৰ্ষই লাভ কৰে স্বাধীনতা। ই মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিছিল যদিও বহু নতুন নতুন সমস্যাৰো সৃষ্টি কৰিলে। ভাৰতৰ অৰ্থনৈতিক অৱস্থাৰ অৱনতি ঘটিল। মানুহৰ মনলৈ হতাশা আহিল। "সামাজিক আৰু ব্যক্তিগত সম্পৰ্কৰ অৱনতি, সামাজিক আৰু নৈতিক প্ৰমূল্যসমূহত ধৰা ভাঙন, সাম্প্ৰদায়িক সংঘৰ্ষ, ৰাজনৈতিক সংগ্ৰাম, যুদ্ধই সৃষ্টি কৰা মুদ্ৰাস্ফীতি আৰু অনাটন, নতুন ধনাঢ্য শ্ৰেণীৰ সৃষ্টি— এই আটাইবোৰ সংকট, সমস্যা আৰু ঐতিহাসিক ঘটনাই জাতীয় জীৱনত এক ডাঙৰ পৰিৱৰ্তনৰ সূচনা কৰে।" এই কালছোৱাতে অসমীয়া জনসাধাৰণৰ জ্ঞানৰ পৰিধি প্ৰসাৰিত হয়, সাহিত্য ক্ষেত্ৰক প্ৰভাৱিত কৰে বিভিন্ন দেশৰ সাহিত্য আৰু দৰ্শনে; তাৰ লগে লগে বিজ্ঞানৰ ন ন আৱিষ্কাৰ; নৃ-তত্ত্ব, মনস্তত্ত্বৰ নব্য দিশৰ উন্মোচন তথা বিশ্ব অৰ্থনীতিৰ পৰিৱৰ্তনেও অসমৰ সৃষ্টিশীল লেখকসকলক প্ৰভাৱিত কৰে। অৱশ্যে এটা কথা ঠিক যে চন্দ্ৰকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যুৰ পাছতেই অসমীয়া সাহিত্যৰ ৰোমাণ্টিক ধাৰাটো লাহে লাহে স্তিমিত হৈ আহে যদিও একেবাৰে লুপ্ত হৈ পৰা নাছিল। ৰামধেনু

যুগৰ কালছোৱাতো ই সমান্তৰাল ধাৰা হিচাপে ক্ষীণভাৱে হ'লেও প্ৰবাহিত হৈ আছিল।

বিংশ শতিকাৰ চতুৰ্থ দশকৰ আৰম্ভণিতে কেইজনমান প্ৰগতিশীল চিন্তাৰে অনুপ্ৰাণিত অসমীয়া যুৱকে *জয়ন্তী* (১৯৪৩) আলোচনীখন পুনৰ নতুন ৰূপেৰে প্ৰকাশ কৰি অসমীয়া সাহিত্যত এটি নতুন ধাৰা প্ৰৱৰ্তন কৰিবলৈ যত্নপৰ হোৱা দেখা যায়। এই আলোচনীখনতে ৰোমাণ্টিক ভাবোচ্ছ্বাস আৰু আত্মকেন্দ্ৰিকতাৰ বিপৰীতে সামাজিক চেতনাযুক্ত আধুনিক সমাজমুখী সাহিত্যৰ শুভাৰম্ভ হয়। বিশেষকৈ *জয়ন্তী*ৰ প্ৰথম সংখ্যাত প্ৰকাশ পোৱা ভৱানন্দ দত্তৰ 'ৰাজপথ' কবিতাটোৰ জৰিয়তে গতানুগতিক ছন্দৰ বন্ধনৰ পৰা অসমীয়া কবিতা মুক্ত হৈ মুক্তক ছন্দ বা গদ্য ছন্দৰ আধাৰত কবিতা লিখা পৰম্পৰাৰ সূচনা হয়। হেম বৰুৱা, অমূল্য বৰুৱায়ো বিষয়বস্তু, আংগিক, প্ৰকাশভংগীৰ অভিনৱত্বৰে সমাজবাদী চিন্তা-চেতনাৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি এটা গঢ়ি তুলিলে। অৱশ্যে মন কৰিবলগীয়া যে *জয়ন্তী* কাকতত কেৱল কবিতা আৰু সমালোচনাত্মক প্ৰবন্ধহে বেছিকৈ প্ৰকাশ পাইছিল। ইয়াৰ পৰৱৰ্তী সময়ত প্ৰকাশিত *ৰামধেনু* আলোচনীখনক কেন্দ্ৰ কৰিয়েই আধুনিক অসমীয়া সাহিত্যই অধিক শক্তিশালী ৰূপেৰে উদ্ভাসিত হৈ উঠে। সেই বাবেই ১৯৪০-৭০ চনৰ সময়ছোৱাৰ অসমীয়া সাহিত্যক 'ৰামধেনু যুগৰ অসমীয়া সাহিত্য' বুলি অভিহিত কৰা হয়। প্ৰসংগক্ৰমে আমাৰ আলোচ্য কালছোৱাৰ সাহিত্য সম্পৰ্কে হেম বৰুৱাই কোৱা এষাৰ বক্তব্য উদ্ধৃত কৰা হ'ল— "আধুনিক সাহিত্যৰ প্ৰকাশভঙ্গীত আধুনিক যুগৰ ব্যক্তিগত প্ৰতিভাৰ সাঁচ জিলিকি আছে। প্ৰাচীন নাট্য-সাহিত্যৰ ধৰণ-কৰণ, নিয়ম-প্ৰণালী বাৰ্ণাৰ্ড শ্ব', ইবছেন আদিৰ ব্যক্তিগত প্ৰতিভা পৰি সুকীয়া গঢ় লৈছে। কবিতাৰ বিষয়বস্তু, প্ৰকাশভঙ্গীত পাউণ্ড, এলিয়ট, ছিটৱেল আদিৰ স্বতন্ত্ৰ ধৰণে সুকীয়া সাঁচ দিছে। সেই একেদৰে উপন্যাস সাহিত্যত দৰথী ৰিছার্ডছন, জেমছ জ'য়েচ, ভার্জিনা উলৰাৰ নিচিনা কেইগৰাকীমানে ন বোল সানিছে। লগে লগে কাব্য জগতত নতুন ছন্দৰ আৱিৰ্ভাৰ হৈছে। 'ভার্ছ লিবৰে', 'স্প্ৰাং ভার্চ'— এনে ধৰণৰ ছন্দই কাব্য জগতত নতুন সাহিত্যৰ চোকা পোহৰৰ পৰা আঁতৰি থাকিব পৰা নাই। লিটন ষ্ট্ৰেছি, আঁৰে মৰে, এমিল লাডউইগ আদিৰ হাতত পৰি জীৱন-চৰিত ৰচনাৰ উপায় নতুন হৈছে।" এই বাক্যশাৰীৰ পৰাই সহজে অনুধাৱন কৰিব পাৰি যে ৰামধেনু যুগত অসমীয়া সাহিত্যই সকলো ফালৰ পৰাই নতুনত্বক আদৰি লৈ আধুনিকতাৰ পিনে গতি কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কেতিয়াৰ পৰা অসমীয়া সাহিত্যৰ ৰোমাণ্টিক ধাৰাটো লাহে লাহে স্তিমিত হৈছে বুলি কোৱা হয়?

.....

প্ৰশ্ন নং ২ ঃ *জয়ন্তী* আলোচনীখন কেতিয়া পুনৰ নতুন ৰূপেৰে প্ৰকাশ কৰা হৈছিল ?

.....

১৪.৩.১ কবিতা

কুৰি শতিকাৰ চতুৰ্থ দশকটোৰ শেষৰ ফালে আৰম্ভ হোৱা দ্বিতীয় মহাযুদ্ধই সাহিত্যৰ সকলো ঠাললৈকে নতুন যুগৰ বার্তা, নতুন চেতনা কঢ়িয়াই আনে। ১৯৪৩ চনত *জয়ন্তী* কাকতখন কমলনাৰায়ণ দেৱ আৰু চক্রেশ্বৰ ভট্টাচার্যৰ সম্পাদনাত ন-ৰূপেৰে প্রকাশিত হয়। এই কাকতখনকে আধাৰ হিচাপে লৈ ভবানন্দ দত্ত, অমূল্য কাকতি আদি কবিয়ে ৰোমাণ্টিক কবিতাৰ কল্পনা আৰু ভাব বিলাসৰ আতিশয্য পৰিহাৰ কৰি বাস্তৱতাৰ ভেটিত কবিতাক নতুন যুগৰ বাহক কৰাৰ চেষ্টা আৰম্ভ কৰে। এই সময়তে কবিতাৰ আঙ্গিক আৰু বিষয়বস্তুৰ আমূল পৰিৱর্তন সাধিত হ'ল আৰু অসমীয়া কবিতাৰ দিগন্ত বহুধা বিস্তৃত হৈ পৰিল।

এই সময়ৰ কবিসকলে তেওঁলোকৰ মনৰ পৰিধি বহল কৰি জগতৰ উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ-খিৰিকী খুলি দিয়ে। সেইবাবেই এই যুগৰ কবিতাত বিচিত্র অনুভূতিৰ প্রকাশ ঘটিবলৈ ধৰে। চন্দ্র কটকীৰ ভাষাৰে — "চতুৰ্থ দশকৰ তৰুণ অসমীয়া কবিসকলে তেওঁলোকৰ অন্তৰৰ স্নেহ বিস্তৃত কৰি কয়লাখনিৰ বনুৱা, অন্ধগলিৰ নিভৃতত থকা বেশ্যা, অৱস দেহৰ ৰিক্সাৱালা, সমাজৰ কুঃসংস্কাৰৰ বলি হোৱা ষোড়শী বিধৱা, ডাষ্টবিনত পৰি থকা এটুকুৰা মাটিৰ বাবে কুকুৰৰ স'তে যুঁজ কৰা, সমাজৰ আৱর্জনা বুলি পৰিগণিত হোৱা মগনীয়া ল'ৰা আদিকো সামৰি ল'লে।"

ৰামধেনু যুগৰ কবিতাৰ বিষয়বস্তু, শব্দচয়ন, বাক্য বিন্যাসৰ লগতে কবিতাত ব্যৱহৃত প্রতীক, চিত্রকল্প, ছন্দ সজ্জা আদি সকলো নতুনত্বৰ পৰশেৰে ৰঞ্জিত হৈ উঠে। এই সময়ৰ কবিতা অধিকতৰভাৱে গদ্যৰ ওচৰ চাপি আহিল। শব্দচয়নত ইংৰাজী, সংস্কৃত, বাংলা, হিন্দী আদি ভাৰতীয় ভাষাৰ প্রভাৱ চৰিল। শব্দ প্রয়োগৰ কৃপণালিৰ বাবেও নতুন কবিকুলৰ কবিতাসমূহ দুর্বোধ্য হৈ পৰিল। কবিসকলে নতুন কবিতাৰ দৈহিক গঠনৰ আদর্শ বিচাৰি বিশ্বৰ বিভিন্ন কবিতাৰ উর্বৰ ক্ষেত্রখনো আঁকোৱালি ল'লে, কবিতাত প্রতীক আৰু চিত্রকল্পৰো বৈশিষ্ট্যপূর্ণ সংযোজন ঘটিল। অৱশ্যে মন কৰিবলগীয়া যে প্রতীক আৰু চিত্রকল্পৰ ব্যাপক প্রয়োগে কবিতাৰ জটিলতা বৃদ্ধি কৰিলে, ফলস্বৰূপে সর্বসাধাৰণ পাঠকে এই কবিতা দুর্বোধ্য বুলিও ক'বলৈ ধৰিলে। এনেদৰে নতুন নতুন ভাব, অভিজ্ঞতা আৰু বাস্তৱ দৃষ্টিভংগীৰ নব্য প্রকাশ, আঙ্গিকৰ অভিনৱত্বৰে অসমীয়া কবিতা কুঁৱৰীয়ে নতুন ৰূপ পৰিগ্রহ কৰাৰ লগতে অসমীয়া কাব্যাকাশলৈ এটা নতুন যুগ আহ্বান কৰি আনে। অসমীয়া কবিতাত এই যি নব্য ৰূপ ফুটি উঠিল সেই ৰূপৰ নামেই ৰামধেনু যুগৰ কবিতা।

ৰামধেনু যুগৰ প্রাৰম্ভিক পর্বৰ কবিসকলৰ ভিতৰত অমূল্য বৰুৱা (১৯২২-১৯৪৬)ৰ নাম উল্লেখযোগ্য। মার্ক্সীয় দর্শনত বিশ্বাসী অমূল্য বৰুৱাই 'কয়লা', 'কুকুৰ', 'বেশ্যা' আদি কবিতাৰে অসমীয়া কাব্যমোদীৰ মন আলোড়িত কৰিছিল। অৱশ্যে অতি

কম বয়সতে কলিকতাৰ সাম্প্রদায়িক সংঘর্ষত প্রাণ হেৰুওৱা এইগৰাকী কবিৰ একমাত্র কাব্যপুথি *অচিনা* (১৯৬৪, নন্দ তালুকদাৰৰ দ্বাৰা সম্পাদিত) মৰণোত্তৰভাৱেহে প্রকাশ পায়। অমূল্য বৰুৱাই আৰম্ভ কৰা প্রগতিবাদী ধাৰাটো পৰৱর্তী সময়ত গুৰি ধৰে ভৱানন্দ দত্তই (১৯১৯-১৯৫৯) 'ৰাজপথ', 'পূৰেৰুণ' আদি কবিতাৰ যোগেদি। একেদৰে চক্রেশ্বৰ ভট্টাচার্যই (১৯১৬-১৯৬৯) 'মাথোঁ এখন নোট' আদি কবিতাৰ যোগেদি পৰৱর্তী কেইবাজনো কবিক সাম্যবাদী ভাৱনাৰে উদ্বুদ্ধ কৰিবলৈ সক্ষম হয়। অৱশ্যে ঐতিহাসিক দৃষ্টিকোণেৰে লক্ষ্য কৰিলে দেখা যায় যে এনে প্রগতিশীল দৃষ্টিভঙ্গীযুক্ত আৰু বৈপ্লৱিক অসমীয়া কবিতাৰ প্রথম ৰচয়িতা আছিল ধীৰেন দত্তহে (১৯১০)। তেওঁৰ ১৯৪৫ চনত প্রকাশিত *অভিযান* নামৰ কাব্য সংকলনটিয়েই ইয়াৰ স্বাক্ষৰ। এই কবিতা পুথিখনৰ পাতনিত দত্তই ঘোষণা কৰিছে— "মোৰ অভিযান সকলো প্রকাৰ জড়তা, দীনতা, হীনতাৰ বিৰুদ্ধে; সমাজৰ কঠোৰ বান্ধোনৰ বিৰুদ্ধে।"

অমূল্য বৰুৱাৰ পাছৰ উল্লেখযোগ্য কবিগৰাকী হ'ল— হেম বৰুৱা। অসমীয়া কবিতাৰ বহু সমালোচকে হেম বৰুৱাকে আধুনিক কাব্য ৰীতিৰ প্রৱর্তক বুলি চিহ্নিত কৰিব বিচাৰে। ১৯২৯ চনৰ পৰা দীননাথ শর্মাৰ সম্পাদনাত প্রকাশিত *আৰাহন* কাকতৰ পাততে প্রকাশ পোৱা এওঁৰ 'বান্দৰ' নামৰ কবিতাটো আছিল আধুনিক কবিতাৰ শক্তিশালী বার্তাবাহক। হেম বৰুৱাৰ *বালিচন্দা* (১৯৬২), *মনময়ূৰী* (১৯৬৭)ৰ কবিতাবোৰৰ মাজত সাম্যবাদৰ ধ্বনি, নিষ্পেষিতাৰ প্রতি দৰদ বৰ প্রৱল।

ৰামধেনু যুগৰ কবিতা সম্পর্কে এতিয়ালৈকে কৰা আলোচনাত এটা কথা স্পষ্ট ৰূপত প্রতিফলিত হৈছে যে ৰামধেনু যুগৰ অসমীয়া কবিতাৰ শুভাৰম্ভ ঘটিছিল প্রগতিবাদী ধাৰাৰ কবিতাৰ যোগেদি। পৰৱর্তী কালত এই ধাৰাটোক প্রতিনিধিত্ব কৰা কবিকুলৰ ভিতৰত হীৰেন গোহাঁই, হীৰেন ভট্টাচার্য, অমলেন্দু গুহ, কেশৱ মহন্ত, ৰবীন্দ্র সৰকাৰ, হেমাঙ্গ বিশ্বাস আদিৰ নাম উল্লেখযোগ্য। এই কবিসকলে যুগোচিত নতুন আঙ্গিকেৰে বাস্তৱতাৰ ভিত্তিত সমাজবাদী আদর্শটোকে প্রধান আদর্শ হিচাপে গণ্য কৰিয়েই তেওঁলোকৰ কাব্য ভাৱনাক সম্প্রসাৰিত কৰিছিল।

ৰামধেনু যুগৰ কবিতাক নব্য ধাৰণাৰে সমৃদ্ধ কৰা আটাইতকৈ শক্তিশালী কবিগৰাকী হ'ল নৱকান্ত বৰুৱা। এওঁৰ কবিতাই আধুনিক কবিতাক সুপ্রতিষ্ঠিত কৰাৰ লগতে জনপ্রিয়তা বৃদ্ধিতো সহায় কৰিলে। অসমীয়া আধুনিক কবিতাৰ উত্তৰণৰ ক্ষেত্রত নৱকান্ত বৰুৱাৰ অৱদান অনস্বীকার্য। তেওঁ অসমীয়া কবিতাত মুক্তক আৰু স্পন্দিত গদ্য ব্যৱহাৰত বৈচিত্র্যৰ সৃষ্টি কৰিলে, শব্দৰ ধ্বনিগত ব্যঞ্জনাৰ যি অনন্ত সম্ভাৱনীয়তা আৰু নমনীয়তা সেয়া প্রতিপন্ন কৰিলে, অসমীয়া ভাষাক আধুনিক কবিতাৰ প্রকৃষ্ট ভাষা ৰূপে চিহ্নিত কৰিবলৈ তেওঁ যেনেদৰে কৃচ্ছ্রসাধনা কৰিলে তাৰ ফলত অসমীয়া আধুনিক কবিতাই এক নতুন ৰূপত উদ্ভাসিত হ'ল। বহু সমালোচকে সেইবাবে নৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ ইতিহাসত এটা যুগৰ সৃষ্টি কৰিলে বুলিও মত পোষণ কৰে।

তেওঁ বিংশ শতিকাৰ চল্লিশৰ শেষৰ ফালে কবি হিচাপে আত্মপ্রকাশ কৰি সত্তৰৰ দশকৰ শেষলৈকে ছখন কবিতাৰ পুথি ৰচনা কৰে, যথা— *হে অৰণ্য, হে মহানগৰ* (১৯৫১), *এটি দুটি এঘাৰটা তৰা* (১৯৫৭), *যতি আৰু স্কেচ* (১৯৬১), *সম্রাট* (১৯৬২), *ৰাৱণ* (১৯৬৪), *মোৰ আৰু পৃথিৱীৰ (১৯৭০)*। তেওঁৰ কবিতাত আধুনিক যান্ত্রিক তথা নাগৰিক সভ্যতাই সৃষ্টি কৰা সংকট, দ্বিধা, সংকোচ আৰু তাৰ প্রতি ঘৃণা, প্রাচীন ঐতিহ্যৰ প্রতি সচেতন দৃষ্টিভঙ্গী, মানৱতাবাদৰ মাজেদি এখন সুস্থ সমাজ গঢ়ি তোলাৰ আগ্রহ প্রকাশ পাইছে।

নৱকান্ত বৰুৱাৰ হাততে অসমীয়া কবিতাত প্রতিবাদৰ বিপৰীতে আন এটা নব্য ধাৰাৰ সৃষ্টি হয়। নৱকান্ত বৰুৱাক এই ধাৰাটোৰ অগ্রগামী বুলি আখ্যা দিয়া হৈছে। এই ধাৰাৰ কবিসকলে ব্যক্তিসত্তাৰ স্বাধীনতাক স্বীকাৰ কৰিও সমাজবাদত নিজৰ আস্থা প্রকাশ কৰে। বহু সমালোচকে এই ধাৰাটোক বুদ্ধিনিষ্ঠ ধাৰা বুলিও অভিহিত কৰিব খোজে। পাশ্চাত্যৰ ইলিয়ট, অডেন, বোডলেয়াৰ, স্পেণ্ডাৰ, লুইচ, মায়াক'ভস্কি, ৰিস্কে আদি কবিৰ দ্বাৰা প্রভাৱিত হৈ এই ধাৰাৰ কবিসকলে কাব্য ৰচনাত মনোনিৱেশ কৰে। নৱকান্ত বৰুৱাৰ উপৰি এই ধাৰাটোৰ উল্লেখযোগ্য কবিসকল হ'ল নীলমণি ফুকন, ভৱেন বৰুৱা, মহেন্দ্র বৰা, হীৰেন্দ্রনাথ দত্ত, হোমেন বৰগোহাঞি, মহিম বৰা, হৰি বৰকাকতি আদি।

আমাৰ আলোচ্য সময়সীমাৰ ভিতৰত আৱির্ভাৰ ঘটা কবিসকলৰ ভিতৰত এগৰাকী প্রধান কবি হ'ল চৈয়দ আব্দুল মালিক। মালিক মূলতঃ কথা-শিল্পী হিচাপে খ্যাত যদিও এই সময়ছোৱাতে *বেদুইন* (১৯৪৮) আৰু *স্বাক্ষৰ* (১৯৬৪) নামেৰে দুখন কবিতাপুথি ৰচনা কৰে। জ্ঞানপীঠ বঁটা বিজয়ী কথাশিল্পী বীৰেন্দ্র কুমাৰ ভট্টাচার্যয়ো এই সময়ৰ *জয়ন্তী, পছোৱা* আৰু *ৰামধেনু* কাকতত কবিতা লিখিছিল। সমাজবাদত বিশ্বাসী এইজনা কবিৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি', 'ফেঁচা', 'বৰ ভূঁইকঁপ', 'যাত্রাৰ শেষ হ'লে' আদি উল্লেখযোগ্য কবিতা। এই ধাৰাত বিশ্বাসী আন এগৰাকী কবি হ'ল অমলেন্দু গুহ। তেওঁৰ *তোমালৈ* (১৯৬০) কাব্যপুথিত শ্রমজীৱী কৃষক-বনুৱা মানুহৰ সংগ্রামৰ প্রতিচ্ছবি দেখা পোৱা যায়। *আমাৰ পৃথিৱী* (১৯৪৬), *আগন্তুক* (১৯৬৪) কাব্য পুথিৰে অসমীয়া কাব্য সাহিত্যক বাঁওপন্থী চিন্তা-চেতনাৰে সমৃদ্ধ কৰা এগৰাকী কবি তথা গীতিকাৰ হ'ল কেশৰ মহন্ত। এওঁলোকৰ উপৰি প্রগতিবাদী ধাৰাটোৰ আন এগৰাকী বিশিষ্ট কবি হ'ল পথাৰৰ কবি হিচাপে খ্যাত ৰাম গগৈ। আমাৰ আলোচ্য কালছোৱাত প্রকাশ পোৱা তেওঁৰ একমাত্র কাব্যপুথিখনি হ'ল *মাটিৰ স্বপ্ন* (১৯৬৪)।

'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচার্যই *ৰৌদ্র কামনা* (১৯৬৪) আৰু *মোৰ দেশ মোৰ প্রেমৰ কবিতা* (১৯৬৯) কাব্যপুথিৰে এই কালছোৱা সমৃদ্ধ কৰিছিল। প্রগতিশীল সমাজ চেতনা আছিল এওঁৰ এই সময়ৰ কবিতাসমূহৰ মূল উপজীব্য। এই সময়তে *কুল-খুৰাৰ চোতাল* (১৯৭০) কাব্য পুথিৰে বিপ্লৱী চেতনা, বাস্তৱতাবোধ, মানৱতাবোধৰ কথা প্রকাশ কৰা আন এগৰাকী সমাজবাদী কবি হ'ল হেমাঙ্গ বিশ্বাস।

হৰি বৰকাকতি হ'ল আমাৰ আলোচ্য সময়ছোৱাৰ পঞ্চম আৰু ষষ্ঠ দশকৰ এগৰাকী উল্লেখযোগ্য কবি। তেওঁৰ প্ৰকাশিত কাব্য-পুথিকেইখনি হ'ল— *কোনোবা শীতৰ এক বগা সন্ধিয়াত* (১৯৭১), *হৰি বৰকাকতিৰ কবিতা* (১৯৭৮) আৰু *সময় বালিৰ খোজ* (১৯৮১)। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে তেওঁ ৰামধেনু যুগতে কাব্য চৰ্চাত লিপ্ত হৈছিল যদিও কবিতাখিনি পুথি আকাৰত প্ৰকাশ পায় পৰৱৰ্তী কালতহে। চতুৰ্থ দশকৰ শেষৰ ফালে কাব্য পৰিক্ৰমা আৰম্ভ কৰা মহেন্দ্ৰ বৰাৰ প্ৰথমখন কাব্যপুথি *জাতিস্মৰ* প্ৰকাশ পায় ১৯৬১ চনত। স্মৰণযোগ্য যে ৰামধেনু যুগৰ সময়ছোৱাতে মহেন্দ্ৰ বৰাৰ সম্পাদনাত প্ৰকাশ পোৱা *নতুন কবিতা* (১৯৫৮) খন আধুনিক কবিতাৰ এক উল্লেখযোগ্য সংকলন।

'মন কুঁৱলী সময়', 'জেংৰাই' আদি কবিতাৰে অসমীয়া কবিতাৰ ইতিহাসত এখন উল্লেখযোগ্য আসন লাভ কৰা অজিত বৰুৱাই চতুৰ্থ দশকতে আত্মপ্ৰকাশ কৰিছিল যদিও তেওঁৰ কবিতাসমূহ পুথি আকাৰে প্ৰকাশ পায় পৰৱৰ্তী কালতহে। প্ৰথমতে সমাজবাদী সংগ্ৰাম আৰু সৰ্বহাৰাৰ মুক্তিৰ প্ৰেৰণাৰে কবিতা লিখা এইগৰাকী কবিয়ে পাছলৈ প্ৰতীকবাদী কাব্য ধাৰণা গ্ৰহণ কৰিছিল। এওঁৰ কবিতাৰ সংকলনকেইটি হ'ল— *কিছুমান পদ্য আৰু গান* (১৯৮২) আৰু *ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য* (১৯৮৯)।

ৰামধেনু যুগৰ এগৰাকী উল্লেখযোগ্য ৰমন্যাসিক কবি হ'ল নিৰ্মলপ্ৰভা বৰদলৈ। বৰদলৈৰ কবিতাত কাব্যিক অনুভূতিক অতি সংক্ষেপে অথচ সংবেদনশীলভাৱে আৰু মঞ্জুল ভাষাৰে, চিত্ৰধৰ্মী বৰ্ণনাৰে প্ৰকাশ হোৱা দেখা যায়। সত্তৰ দশকলৈকে তেওঁৰ প্ৰকাশিত কবিতাৰ একমাত্ৰ সংকলনখন হ'ল *বন ফৰিঙৰ ৰং* (১৯৬৭)।

আমাৰ আলোচ্য সময়ছোৱাৰ পৰা বৰ্তমানলৈকে অসমীয়া কবিতাক নব্য ৰূপে�ৰে সমৃদ্ধ কৰা কবিগৰাকী হ'ল নীলমণি ফুকন। প্ৰতীক আৰু চিত্ৰকল্প নিৰ্মাণত সিদ্ধহস্ত এইগৰাকী কবিয়ে জাপানী 'হাইকু আৰু টংক', স্পেনীজ কবি ফেডাৰিকা গাৰ্থিয়া লৰ্কা আৰু ফৰাচী প্ৰতীকবাদী আন্দোলনৰ প্ৰভাৱেৰে তেওঁৰ কবিতালানিক সমৃদ্ধ কৰিছে। সৌন্দৰ্যবোধ, প্ৰেম, দুঃস্বপ্ন, মৃত্যু-চেতনা, ল'ৰালিৰ ধূসৰ স্মৃতি আৰু প্ৰতীকী ব্যঞ্জনা এওঁৰ কবিতাৰ উল্লেখযোগ্য বৈশিষ্ট্য। কম শব্দৰে, প্ৰতীকাত্মকভাৱে, অসমীয়া ভাষাৰ কালিকাৰে এওঁৰ কবিতাৰ দেহ সজোৱা হৈছে। অৱশ্যে মন কৰিবলগীয়া যে নীলমণি ফুকনৰ কবিতাতেই ৰামধেনু যুগৰ কবিতাৰ জটিলতাৰ ৰূপটোও প্ৰতিভাত হয়। আমাৰ আলোচ্য কালছোৱাত তেওঁৰ প্ৰকাশিত কবিতাপুথিকেইখন হ'ল— *সূৰ্য হেনো নামি আহে এই নদীয়েদি* (১৯৬৪), *নিৰ্জনতাৰ শব্দ* (১৯৬৫), *আৰু কি নৈঃশব্দ* (১৯৬৮)।

হোমেন বৰগোহাঞিও ৰামধেনু যুগৰ আন এগৰাকী শক্তিশালী কবি। তেওঁৰ একমাত্ৰ প্ৰকাশিত কবিতাৰ পুথি হ'ল— *হৈমন্তী*। 'ইতিহাস', 'ৰাতি', 'স্মৃতি', 'আশ্ৰয়', 'অফেলিয়া', 'সংগী', 'সাপ', 'বিকল্প', 'শাশ্বতী' আদি তেওঁৰ উল্লেখযোগ্য কবিতা। মন কৰিবলগীয়া যে বৰগোহাঞিৰ কবিতাত জীৱনৰ ক্লেদ আৰু কদৰ্যতা, মানুহৰ জান্তৱ ৰূপ,

অৱদমিত যৌনাকাংক্ষা আদিয়েই প্ৰধান বিষয়বস্তু হিচাপে ধৰা দিছে। অৱশ্যে পৰৱৰ্তী সময়ত তেওঁ কাব্য চৰ্চাৰ পৰা আঁতৰি আহি কথাশিল্পত অধিক মনোযোগ দিয়ে। ৰামধেনু যুগৰ কবিকুলৰ ভিতৰত উল্লেখযোগ্য আন এগৰাকী কবি হ'ল বীৰেন বৰকটকী। এওঁৰ কবিতাত ৰমন্যাসবাদ, প্ৰতীকবাদ, প্ৰগতিবাদ আদি গোটেইকেইটা ধাৰাৰে প্ৰতিফলন লক্ষ্য কৰা যায়। বৰকটকীৰ *মন্বন্তৰ* (১৯৫৯) নামৰ কাব্য পুথিখন ৰামধেনু যুগত প্ৰকাশ পাইছে।

আমাৰ আলোচনাত অন্তৰ্ভুক্ত কবিসকলৰ উপৰি ১৯৪০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত আবিৰ্ভাৱ হোৱা আন কবিসকলৰ ভিতৰত উল্লেখযোগ্য কেইগৰাকীমান হ'ল— বীৰেশ্বৰ বৰুৱা, দিলীপ বৰুৱা, হীৰেন্দ্ৰ নাথ দত্ত, ভৱেন বৰুৱা, হৃৰেকৃষ্ণ ডেকা, দীনেশ গোস্বামী, নলিনীধৰ ভট্টাচাৰ্য, ৰবীন্দ্ৰ সৰকাৰ, মহিম বৰা আদি। অৱশ্যে এইকেইগৰাকী কবিৰ কাব্যপ্ৰতিভা সপ্তম দশকৰ পাছতহে অধিক সমৃদ্ধ ৰূপত পৰিস্ফুট হয় বাবে ইয়াত আলোচনা কৰা নগ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ খালি ঠাই পূৰণ কৰক—

(ক) ধীৰেন দত্তৰ একমাত্ৰ কাব্যপুথিখনৰ নাম ....।

(খ) ..... চেতনা আছিল হীৰেন ভট্টাচাৰ্যৰ প্ৰথম পৰ্যায়ৰ কবিতাসমূহৰ মূল উপজীব্য।

(গ) ৰামধেনু যুগৰ এগৰাকী উল্লেখযোগ্য ৰমন্যাসিক মহিলা কবি হ'ল .....।

১৪.৩.২ উপন্যাস

ৰামধেনু যুগৰ পটভূমি সম্পৰ্কে কৰা আলোচনাৰ পৰা আপুনি নিশ্চয় ধাৰণা লাভ কৰিলে যে কুৰি শতিকাৰ চল্লিছৰ দশকটোতে অসমীয়া সাহিত্যই সুঁতি সলাই আধুনিক ৰূপ পৰিগ্ৰহ কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিলে। এই সময়ছোৱাত চমকপ্ৰদ উন্নতি লাভ কৰা সাহিত্যৰ ঠালসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল উপন্যাস। ৰামধেনু যুগত মানুহৰ মানসিক জগত, সমাজ জীৱন অধিক জটিল হৈ পৰিল। সাহিত্যিকসকলে তেওঁলোকৰ চিন্তাভাৱনা প্ৰকাশৰ বাবে একোখন বহল ক্ষেত্ৰ বিচাৰিবলৈ ধৰিলে, ফলস্বৰূপে উপন্যাস ৰচনাৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পালে। উপন্যাসৰ বিষয়বস্তু আৰু কলা-কৌশলৰ পৰিসৰ বহল হ'ল, ন ন চিন্তাৰ পৰিস্ফুৰণ ঘটিল।

উপন্যাস সম্পৰ্কে ইতিমধ্যে কৰা আলোচনাসমূহত আপুনি নিশ্চয় লক্ষ্য কৰিছে

যে অসমীয়া উপন্যাস সাহিত্যৰ আৰম্ভণিৰ কালছোৱাৰ উপন্যাসসমূহ আছিল মূলতঃ ঐতিহাসিক উপন্যাস। অৱশ্যে তাৰ মাজতে দুই-এখন উপন্যাসত সামাজিক ভাবধাৰা এটায়ো গা-কৰি উঠিছিল। বিশেষকৈ চতুর্থ আৰু পঞ্চম দশকত ই অধিক প্ৰগাঢ় হৈ উঠে। দেশে ইংৰাজৰ অধীনৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছতেই উত্তৰণ ঘটা সমাজমুখী দৃষ্টিভঙ্গী, গ্ৰামীণ অৰ্থনীতিৰ স্বৰূপ, কৃষক-শ্ৰমিকৰ দুৰ্দশা, পুৰণি আৰু নতুনৰ সংঘাত, যুদ্ধ-বিগ্ৰহৰ পৰিণতি, বনুৱা আন্দোলন, সমাজবাদী ভাৱধাৰাৰ বিস্তাৰ আদিয়ে অসমীয়া ঔপন্যাসিকসকলক নতুন ধৰণে উপন্যাস ৰচনা কৰিবলৈ সমল যোগালে। ফলস্বৰূপে সামাজিক উপন্যাসেই ৰামধেনু যুগৰ প্ৰধান ধাৰা হিচাপে চিহ্নিত হ'ল। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে এই সময়ছোৱাতে অসমীয়া ঔপন্যাসিকসকল উপন্যাসৰ কলাগত দিশৰ প্ৰতিও অধিক সচেতন হোৱা পৰিলক্ষিত হয়। শৈলেন ভৰালীয়ে এই বিষয়ে মন্তব্য কৰিছে— "এতিয়াৰেপৰা লেখকসকল উপন্যাসৰ কলাগত সৌন্দৰ্যৰ প্ৰতি সজাগ হ'ল। এই নতুন যুগটো মুকলি কৰিলে দ্বিতীয় মহাসমৰৰ শেষৰফালে বিৰিঞ্চি কুমাৰ বৰুৱাই।"

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ দুবছৰৰ পূৰ্বে, অৰ্থাৎ ১৯৪৫ চনত বিৰিঞ্চি কুমাৰ বৰুৱাই 'বীণা বৰুৱা' ছদ্মনামেৰে ৰচনা কৰা *জীৱনৰ বাটত* নামৰ উপন্যাসখন প্ৰকাশ পায়। এইখন উপন্যাস প্ৰকাশৰ প্ৰায় পোন্ধৰ বছৰৰ পাছত, ১৯৫৯ চনত 'ৰাস্না বৰুৱা' ছদ্মনামেৰে *সেউজী পাতৰ কাহিনী* প্ৰকাশ হয় ।এই দুয়োখন উপন্যাস অসমীয়া উপন্যাসৰ ভিতৰত বিশেষভাৱে লেখত ল'বলগীয়া। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে *জীৱনৰ বাটত* উপন্যাসখনি যুদ্ধোত্তৰ কালছোৱাৰ উপন্যাস সাহিত্যৰ সিংহ-দুৱাৰ স্বৰূপ। ঠিক সেইদৰে গোবিন্দ প্ৰসাদ শৰ্মাই মত পোষণ কৰিছে যে এইখন কালজয়ী উপন্যাস। গ্ৰাম্য জীৱনৰ সৰু-সুৰা, তুচ্ছ ঘটনাক লৈও যে গভীৰ জীৱনবোধ সমৃদ্ধ তথা সুখপাঠ্য উপন্যাস ৰচনা কৰিব পাৰি তাৰ দৃষ্টান্ত *জীৱনৰ বাটত* উপন্যাসখনেই পোনতে দাঙি ধৰিলে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা দুয়োখন উপন্যাসৰে পটভূমি বেলেগ, সমাজ বেলেগ আৰু অঙ্কন কৰা নৰ-নাৰীৰ আচাৰ-ব্যৱহাৰো বেলেগ। প্ৰথমখনৰ পটভূমি অসমীয়া সমাজ আৰু চৰিত্ৰাৱলী সৰহভাগেই গাঁৱলীয়া সমাজৰ অন্তৰ্ভুক্ত। কিন্তু পাছখন উপন্যাসৰ পটভূমি চাহ বাগান আৰু চৰিত্ৰাৱলী সৰহখিনি বাগানৰ বনুৱা। ইতিমধ্যে উল্লেখ কৰা সমালোচকসকলৰ উক্তিসমূহৰ পৰাই ধাৰণা কৰিব পাৰি যে ৰামধেনু যুগৰ আৰম্ভণিৰ দশকটোতে বিৰিঞ্চি কুমাৰ বৰুৱাৰ হাততে অসমীয়া উপন্যাস সাহিত্যই এক ন-ৰূপেৰে উদ্ভাসিত হৈ উঠিল।

স্বৰাজোত্তৰ কালত অতীতলৈ ঘূৰি চাই বা বুৰঞ্জীৰ পৰা শিক্ষা গ্ৰহণ কৰি তাৰ অনুপ্ৰেৰণাৰে সাহিত্য ৰচনা কৰাৰ আগ্ৰহ সমূলি নাইকিয়া হৈ গৈছিল বুলিয়েই ক'ব পাৰি। সাম্প্ৰতিক সমাজ জীৱন ইমান বেছি জটিল হৈ পৰিছিল যে অতীতৰ অনুপ্ৰেৰণাত সাহিত্য ৰচনা কৰাৰ প্ৰাসংগিকতাই প্ৰায় নাইকিয়া হৈছিল। অৱশ্যে তাৰ মাজতো ঐতিহাসিক উপন্যাস ৰচনা কৰাৰ সুঁতিটো একেবাৰে শুকাই যোৱা নাছিল। ৰামধেনু

যুগত প্ৰকাশিত প্ৰথমখন ঐতিহাসিক উপন্যাস হ'ল দণ্ডিনাথ কলিতাৰ *গণবিপ্লৱ* (১৯৪৮)। মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত ৰচিত এইখন উপন্যাস কিন্তু সাৰ্থক ঐতিহাসিক উপন্যাস হিচাপে চিহ্নিত নহ'ল। সমালোচকসকলে এই উপন্যাসখনত ঐতিহাসিক উপন্যাসৰ বাবে প্ৰয়োজনীয় ৰসৰ সৃষ্টি নহ'ল বুলি অভিহিত কৰিছে। ইয়াৰ পাছতে পদ্ম বৰকটকীৰ *কোনো খেদ নাই* ১৯৬৩ চনত ৰচিত আন এখন ঐতিহাসিক উপন্যাস। এই উপন্যাসখনৰ সাৰ্থকতা হ'ল— ইয়াত ইতিহাসৰ বিষয় বা ঐতিহাসিক চৰিত্ৰক নতুন দৃষ্টিকোণেৰে চোৱাৰ প্ৰৱণতা সুস্পষ্ট। এইখন ঐতিহাসিক উপন্যাসৰ পৰা অতীতক বৰ্তমানৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰি চোৱাৰ পৰম্পৰাটি আৰম্ভ হয়।

ৰামধেনু যুগত ৰচিত অধিকাংশ উপন্যাসেই প্ৰধানতঃ সামাজিক উপন্যাস। স্বাধীনতা লাভ কৰাৰ ঠিক পাছতেই প্ৰকাশ পায় মহম্মদ পিয়াৰৰ *প্ৰীতি উপহাৰ* (১৯৪৮), *সংগ্ৰাম* (১৯৪৮), *মৰহা ফুল* (১৯৪৮), *জোৱাৰৰ ঢৌ* (১৯৪৯), *পুৱতি নিশাৰ আজান* (১৯৫৫), *ৰংজুলিৰ বিহুৱান* (১৯৬৭); কাঞ্চন বৰুৱাৰ *অসমীত যাৰ হেৰাল সীমা* (১৯৪৮)। উল্লেখযোগ্য যে অসমীয়া উপন্যাস সাহিত্যত আচহুৱা পৰিৱেশত মনোৰম কাহিনীৰে ৰোমাণ্টিক পৰিৱেশ সৃষ্টি কৰি উপন্যাস ৰচনা কৰা পৰম্পৰা আৰম্ভ হয় কাঞ্চন বৰুৱাৰ এইখন উপন্যাসৰ পৰা। এই উপন্যাসখন অৱশ্যে লিখা হৈছিল ১৯৪৫ চনতে। এই সময়ছোৱাতে মূলতঃ ৰহস্যধৰ্মী উপন্যাস লিখা প্ৰেমনাৰায়ণ দত্তই আত্মপ্ৰকাশ কৰে। তেওঁৰ কাপৰ পৰা নিসৃত হয় *নিয়তিৰ নিৰ্মালি* (১৯৫৩), *প্ৰণয়ৰ সুঁতি* (১৯৫৪), *প্ৰাণৰ পৰশ* (১৯৫৭), *আকাশৰ অন্তৰালত* (১৯৬২) আদি উপন্যাস।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ কেইবছৰমান পাছতেই প্ৰকৃত অৰ্থত অসমীয়া আধুনিক উপন্যাসৰ ধাৰা আৰম্ভ হয়। পাশ্চাত্য সমালোচকসকলে আধুনিক উপন্যাসৰ বাবে নিৰ্ধাৰণ কৰা বৈশিষ্ট্যবোৰ সুন্দৰ ৰূপত ফুটি উঠিছিল প্ৰফুল্ল দত্ত গোস্বামীৰ *কেঁচা পাতৰ কঁপনি* (১৯৫২)ত। অৱশ্যে ইয়াৰ আগতেই তেওঁ ৰচনা কৰা *শেষ ক'ত* (১৯৪৮) উপন্যাসখনত আধুনিক উপন্যাসৰ ভালেখিনি বৈশিষ্ট্য পৰিস্ফুট হয়। পিছে পৰিতাপৰ কথা যে সেই সময়ত উপন্যাস মানেই কাহিনী পঠনত অভ্যস্ত অসমীয়া পাঠকে সেয়া আদৰি নল'লে। কিন্তু অসমীয়া আধুনিকতাবাদী উপন্যাসৰ বাটকাটোতা হিচাপে প্ৰফুল্ল দত্ত গোস্বামীৰ নাম অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত সদা স্মৰণীয় হৈ ৰ'ব। পৰৱৰ্তী সময়ত (আমাৰ আলোচ্য সময়ছোৱাত) চন্দ্ৰপ্ৰসাদ শইকীয়াই *এদিন* (১৯৬৯) নামেৰে এখন উপন্যাস লিখি এই ধাৰাটো প্ৰবাহিত কৰি ৰাখে।

পঞ্চাশৰ দশকত চাহ বনুৱাৰ জীৱনৰ পটভূমিত বিৰিঞ্চি কুমাৰ বৰুৱাই ৰাস্না বৰুৱা ছদ্মনামেৰে তেওঁৰ দ্বিতীয়খন উপন্যাস *সেউজী পাতৰ কাহিনী* (১৯৫৮) ৰচনা কৰাৰ কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। এই সময়ছোৱাতে যুদ্ধৰ ধামখুমীয়া আৰু চাহ বাগানৰ পটভূমিক লৈ যোগেশ দাসে লিখি উলিয়ালে *ডাৱৰ আৰু নাই* (১৯৫৫)। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে পঞ্চাশ আৰু ষাঠিৰ দশক দুটা অসমীয়া উপন্যাস সাহিত্যৰ

ক্ষেত্রত লেখত ল'বলগীয়া দুটা দশক। এই দুটা দশকতে অসমীয়া উপন্যাসৰ ক্ষেত্রখনত বিবিধ ধাৰাৰ উপন্যাস ৰচনাৰ পৰিক্রমা আৰম্ভ হয়।

বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামেৰে লিখা *জীৱনৰ বাটত* উপন্যাসখনৰ পৰাই গ্রাম্য পটভূমিত সমাজ বাস্তৱতাক আধাৰ হিচাপে লৈ উপন্যাস লিখাৰ পৰিক্রমা আৰম্ভ হয়। তেওঁ চিকুণাই যোৱা বাটটোৰে হিতেশ ডেকাই *আজিৰ মানুহ* (১৯৫৪), *নতুন পথ* (১৯৫৬), *ভাড়া ঘৰ* (১৯৫৮), *মাটি কাৰ* (১৯৬০), *এয়েতো জীৱন* (১৯৬১), *আচল মানুহ* (১৯৬৭); ঘনকান্ত গগৈয়ে *সোণৰ নাঙল* (১৯৫৬), *ভূমি কন্যা* (১৯৬২); চৈয়দ আব্দুল মালিকে *সূৰুযমুখীৰ স্বপ্ন* (১৯৬০), লক্ষ্মীনন্দন বৰাই *গঙা চিলনীৰ পাখি* (১৯৫৬); দেবেন্দ্র নাথ আচার্যই *অন্য যুগ অন্য পুৰুষ* (১৯৭০) আদি উপন্যাস ৰচনা কৰে। এই উপন্যাসসমূহত গ্রাম্য জীৱনৰ আৱেগ-অনুভূতি, আধুনিক নাগৰিক সভ্যতাৰ পত্তন, পৰম্পৰাগত মূল্যবোধৰ অৱক্ষয়, আদর্শবাদিতা আৰু আদর্শহীনতাৰ সংঘাত আদি সজীৱ ৰূপত আত্মপ্রকাশ কৰিলে।

এই সময়ছোৱাত অসমীয়া উপন্যাস সাহিত্যৰ আটাইতকৈ প্রসিদ্ধ ঔপন্যাসিকজন হ'ল চৈয়দ আব্দুল মালিক। তেওঁ *ল.সা.গু* (১৯৪১) উপন্যাসেৰে ৰামধেনু যুগৰ প্রাৰম্ভিক অৱস্থাত ঔপন্যাসিক হিচাপে আত্মপ্রকাশ কৰে। পৰৱর্তী সময়ত আব্দুল মালিকে প্রগতিবাদী ভাবধাৰাৰে ৰচনা কৰে *ৰথৰ চকৰি ঘূৰে* (১৯৫০), মধ্যবিত্ত শ্রেণীৰ মনসিকতাৰ প্রকাশেৰে *জীয়া জুৰিৰ ঘাট* (১৯৬০), *অঘৰী আত্মাৰ কাহিনী* (১৯৬৯); মানুহৰ অস্বাভাৱিক মনস্তত্ত্বক লৈ *প্রাচীৰ আৰু কংকাল* (১৯৬৮), জীৱনীমূলক উপন্যাস *ৰূপতীর্থৰ যাত্রী* (১ম খণ্ড, ১৯৬৩; ২য় খণ্ড, ১৯৬৫) আদি। প্রসংগক্রমে উল্লেখযোগ্য যে মালিকে ৰচনা কৰা *ৰূপতীর্থৰ যাত্রী* উপন্যাসখনত জ্যোতিপ্রসাদ আগৰৱালাৰ আদি জীৱনভাগ তুলি অনা হৈছে আৰু এইখনেই অসমীয়া সাহিত্যৰ প্রথম ***জীৱনীমূলক উপন্যাস।***

ৰামধেনু যুগত ৰাধিকামোহন গোস্বামীয়েও *চাকনৈয়া* (১৯৫৪) আৰু *বা মাৰলী* (১৯৫৮) উপন্যাস দুখনেৰে অসমীয়া সমাজৰ নৈতিক প্রমূল্যৰ অৱনতি দাঙি ধৰিছে। তিলক দাসে চল্লিশৰ দশকৰ শেষৰ ফালে *আৰতি* উপন্যাসেৰে আত্মপ্রকাশ কৰি পৰৱর্তী সময়ত *এই ৰং এই সুৰভি* (১৯৫৪), *পর্বতৰ ৰূপালী জোনাক* (১৯৬৬); গোবিন্দ মহন্তই *শেষ পথ* (১৯৪৯), *কৃষকৰ নাতি* (১৯৫২), *নতুন জীৱন* (১৯৫৪); অৰুণ দাসে *ব্যর্থ লগ্ন* (১৯৫৮); ধর্মেশ্বৰ কটকীয়ে *জীৱনৰ ভগা ৰংঘৰ* (১৯৫৬); যতীন্দ্রনাথ গোস্বামীয়ে *মাটিৰ বুকুত* (১৯৫৬) আদি উপন্যাস ৰচনা কৰিলে। এই উপন্যাসসমূহত ৰোমাণ্টিক প্রেম, দেশপ্রেম, সামাজিক সংস্কাৰ ধর্মী আদর্শ, নৈতিক মূল্যবোধ আদি দাঙি ধৰাৰ যত্ন পৰিলক্ষিত হৈছিল।

অসমীয়া সাহিত্যৰ আধুনিকতা আন্দোলনৰ এগৰাকী অগ্রগণ্য হোতা তথা *ৰামধেনু* কাকতখনৰ সম্পাদক বীৰেন্দ্র কুমাৰ ভট্টাচার্যও এই সময়ৰ এগৰাকী



জীৱনীমূলক উপন্যাস ঃ যিবোৰ উপন্যাসৰ মূল বিষয়বস্তু কোনো ব্যক্তিৰ জীৱন তেনে উপন্যাসকে জীৱনীমূলক উপন্যাস বোলে। মন কৰিবলগীয়া যে জীৱনীমূলক উপন্যাস কিন্তু জীৱনী নহয়। জীৱনীৰ আধাৰত ৰচনা কৰা উপন্যাসহে।

উল্লেখযোগ্য ঔপন্যাসিক। তেওঁ সাহিত্যৰ প্ৰগতিবাদী ধাৰণাটোৰ কাণ্ডাৰী হিচাপে ৰাজনৈতিক উপন্যাস লিখিবলৈ আৰম্ভ কৰে। ৰাজনৈতিক উপন্যাসৰ বিষয়ে গোবিন্দ প্ৰসাদ শৰ্মাই কৈছে— "যিবোৰ সামাজিক উপন্যাসৰ বিষয়বস্তু প্ৰধানতঃ বা বহুলাংশে ৰাজনীতি, তেনে উপন্যাসকে ৰাজনৈতিক উপন্যাস বোলা যায়।" তেওঁ ১৯৫৫ চনত ৰচনা কৰা *ৰাজপথে ৰিঙিয়ায়* এনে ধাৰাৰ প্ৰথমখন অসমীয়া উপন্যাস। তেওঁৰ দ্বিতীয়খন উপন্যাস *আই* (১৯৬০)ৰ বাদে আন উপন্যাসসমূহ এই ধাৰাৰ অন্তৰ্গত। উল্লেখযোগ্য যে *আই* উপন্যাসখনত স্বৰাজোত্তৰ কালৰ ভাৰত চৰকাৰৰ নতুন ভূমিনীতিয়ে সমাজত যি পৰিৱৰ্তন সাধিলে বা সৰ্বসাধাৰণৰ আৰ্থিক আৰু সামাজিক জীৱনলৈ যি বিভ্ৰাট নমাই আনিলে সেয়াই প্ৰকাশ কৰা হৈছে। ৰামধেনু যুগত তেওঁ ৰচনা কৰা আনকেইখন উল্লেখযোগ্য উপন্যাস হ'ল *ইয়াৰুইংগম* (১৯৫০), *নষ্টচন্দ্ৰ* (১৯৬৮), *মৃত্যুঞ্জয়* (১৯৭০), *প্ৰতিপদ* (১৯৭০)। ইয়াৰে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত উপন্যাস *মৃত্যুঞ্জয়*ৰ বাবে তেওঁ ১৯৭৯ চনত ভাৰত চৰকাৰে প্ৰদান কৰা সৰ্বোচ্চ সাহিত্যিক সন্মান জ্ঞানপীঠেৰে বিভূষিত হৈছিল। ভট্টাচাৰ্য এই বঁটাৰে বিভূষিত প্ৰথমজন অসমীয়া সাহিত্যিক।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই ৰচনা কৰা *ইয়াৰুইংগম* উপন্যাসখনত জনজাতীয় জীৱনৰ (নগা সমাজ জীৱনৰ বিভিন্ন দিশ) চিত্ৰ দাঙি ধৰা হৈছিল। মন কৰিবলগীয়া যে ষাঠিৰ দশকৰ পৰা বৰ্তমানলৈকে জনজাতীয় জীৱনক আধাৰ হিচাপে লৈ ভালেখিনি উপন্যাস ৰচনা কৰা হৈছে। কেইবাজনো জনগোষ্ঠীয় মূলৰ ঔপন্যাসিকেই এই ক্ষেত্ৰত হাত উজান দিছে। ৰজনীকান্ত বৰদলৈৰ *মিৰি-জীয়ৰী* উপন্যাসখনতে আৰম্ভ হোৱা এই পৰম্পৰাটিৰ ৰামধেনু যুগৰ কেইখনমান উল্লেখযোগ্য উপন্যাস হ'ল— কৈলাশ শৰ্মাৰ *বিদ্ৰোহী নগাৰ হাতত* (১৯৫৮), লুম্বেৰ দাইৰ *পাহাৰৰ শিলে শিলে* (১৯৬০), *পৃথিৱীৰ হাঁহি* (১৯৬৩), *মন আৰু মন* (১৯৬৮) আদি।

আধুনিক কবি হিচাপে অসমীয়া কাব্য সাহিত্যত স্মৰণীয় হৈ থকা নৰকান্ত বৰুৱাই ষাঠিৰ দশকতে *কপিলীপৰীয়া সাধু* (১৯৫৪) ৰে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। উল্লেখযোগ্য যে এইখন এখন আঞ্চলিক উপন্যাস। গোবিন্দ প্ৰসাদ শৰ্মাৰ মতে— "এটা অঞ্চলক কেন্দ্ৰ কৰি, অৰ্থাৎ সেই অঞ্চলটোক কেৱল পটভূমিয়েই নহয়, বিষয়বস্তু হিচাপেও লৈ যিবোৰ উপন্যাস ৰচনা কৰা হয়, সেইবোৰ উপন্যাসকে আঞ্চলিক উপন্যাস বোলে।" ৰামধেনু যুগত ৰচিত আন এখন উল্লেখযোগ্য আঞ্চলিক উপন্যাস হ'ল নিৰুপমা বৰগোহাঞিৰ *সেই নদী নিৰৱধি* (১৯৬৩)।

ৰামধেনু যুগতে যোগেশ দাসেও ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰে। তেওঁ ৰচনা কৰা কেইখনমান উল্লেখযোগ্য উপন্যাস হ'ল— *জোনাকীৰ জুই* (১৯৫৯), *নিৰুপায় নিৰুপায়* (১৯৬৩), *ছাঁ জুই খেদি* (১৯৬৯)। ঠিক সেইদৰে উমাকান্ত শৰ্মাই এই সময়তে ৰচনা কৰা কেইখনমান উপন্যাস হ'ল— *উড়ন্ত মেঘৰ ছাঁ* (১৯৬০), *ছিমছাঙৰ দুটি পাৰ*

(১৯৬৪), *ৰঙা ৰঙা তেজ* (১৯৬৭) আদি। পদ্ম বৰকটকীয়েও *মনৰ দাপোণ* (১৯৫৮), *খবৰ বিচাৰি* (১৯৫৯), *বিচাৰৰ বাবে* (১৯৬১) ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ ৰামধেনু যুগত বৰঙণি যোগাইছিল।

প্ৰধানতঃ কেইবাখনো মননশীল অসমীয়া আলোচনীৰ সম্পাদক হিচাপে প্ৰতিষ্ঠিত চন্দ্ৰপ্ৰসাদ শইকীয়াই ১৯৫১ চনত *এদিন* নামৰ উপন্যাসখনেৰে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। অৱশ্যে এই উপন্যাসখন পুথি হিচাপে প্ৰকাশ পাইছিল ১৯৬৯ চনতহে। এই সময়ছোৱাতে নাৰায়ণ বেজবৰুৱাই *নতুন দিগন্ত* (১৯৬২) আৰু *প্ৰেৰণাৰ প্ৰতীক* (১৯৬৪); সুৰেশ গোস্বামীয়ে *ৰশ্মিৰ কাৰেং* (১৯৬৫), *মোহন মইনা* (১৯৭০); নিৰোদ চৌধুৰীয়ে *স্তব্ধ বৃন্দাবন* (১৯৬৮), *দেৰী* (১৯৬৯), *কালহীৰা* (১৯৭০); কামাখ্যা সভাপণ্ডিতে *জীৱনৰ দাবী* (দুটা খণ্ড, ১৯৫৯, ৬১), *সদা মৰলৰ সোণাপুৰ* (১৯৬৬); ৰোহিণী কাকতিয়ে *এক নক্ষত্ৰৰ নিশা* (১৯৬৪), *সূৰ্যৰেখা* (১৯৬৫), *ৰ'দ আৰু কুঁৱলী* (১৯৬৭), *ভগ্নাংশ* (১৯৬৯); মহেন্দ্ৰ বৰঠাকুৰে *উদাসী সন্ধ্যা* (১৯৬২); নবীন বৰুৱাই *কটন কলেজ* (১৯৭০), *প্ৰেমিকা* (১৯৭০) আদি উপন্যাস ৰচনা কৰিছিল।

কাঞ্চন বৰুৱাই *অসীমত যাব হেৰাল সীমা* উপন্যাসখনেৰে অসমীয়া উপন্যাস সাহিত্যত আচহুৱা পৰিৱেশত মনোৰম কাহিনীৰে ৰোমাণ্টিক পৰিৱেশ সৃষ্টি কৰি উপন্যাস ৰচনা কৰা পৰম্পৰা আৰম্ভ কৰাৰ কথাও ইতিপূৰ্বে উল্লেখ কৰা হৈছে। পৰৱৰ্তী সময়ত কুমাৰ কিশোৰে *কবৰ আৰু কংকাল* (১৯৬৩), *এমুঠি তৰাৰ জিলমিল* (১৯৬৪), *বন্যাধৌত ব-দ্বীপ* (১৯৬৬); ৰোহিণী কুমাৰ কাকতিয়ে *শোঁতা ৰ'দ* (১৯৬২) ৰচনা কৰি ৰামধেনু যুগত এই ধাৰাটিৰ ধাৰাবাহিকতাৰ ৰক্ষা কৰিছিল।

ৰামধেনু যুগৰ আন এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক হোমেন বৰগোহাঞিৰ উপন্যাসত বিভিন্ন ধৰণৰ দাৰ্শনিক মতবাদৰ প্ৰভাৱ পৰা দেখা যায়। উদাহৰণস্বৰূপে তেওঁ প্ৰকৃতিবাদৰ দৃষ্টিৰে *সুবালা* (১৯৬৩), অস্তিত্ববাদৰ প্ৰকাশেৰে *তান্ত্ৰিক* (১৯৬৭) ৰচনা কৰিছে। ৰামধেনু যুগত কেইখনমান মনস্তাত্ত্বিক উপন্যাসো ৰচিত হৈছে। গোবিন্দ প্ৰসাদ শৰ্মাৰ মতে— "মনস্তত্ত্বৰ কোনো তত্ত্বৰ আধাৰত ৰচিত উপন্যাসক অথবা মানৱ মনৰ কোনোটি বিশেষ অৱস্থা অধ্যয়ন বা পৰ্যৱেক্ষণ কৰি ৰচনা কৰা উপন্যাসক মনস্তাত্ত্বিক উপন্যাস বোলে।" যেনে— কুমাৰ কিশোৰৰ *এমুঠি তৰাৰ জিলমিল* (১৯৬৪), চৈয়দ আব্দুল মালিকৰ *ত্ৰিশূল* (১৯৬৮), পদ্ম বৰকটকীৰ *দুষ্মন্তৰ চুমা* (১৯৭০)।

ৰামধেনু যুগত কেইবাগৰাকীও শক্তিশালী ঔপন্যাসিকাই আত্মপ্ৰকাশ কৰিছিল। তাৰে ভিতৰত — হিৰণময়ী দেৰী, শুচিব্ৰতা ৰায়চৌধুৰী, নিৰুপমা বৰগোহাঞি, নীলিমা দত্ত, প্ৰবীণা শইকীয়া আদিৰ নাম উল্লেখযোগ্য। হিৰণময়ী দেৰীয়ে *জীৱন সংগ্ৰাম* (১৯৫৬) আৰু শুচিব্ৰতা ৰায়চৌধুৰীয়ে *বা-মাৰলী* (১৯৫৮) ৰচনা কৰিছিল। নিৰুপমা বৰগোহাঞিয়ে *সেই নদী নিৰবধি* (১৯৬৩)ৰে ঔপন্যাসিকা হিচাপে আত্মপ্ৰকাশ কৰিছিল।

নীলিমা দত্তই ৰচনা কৰা *আকাশ বস্তি* (?)খনকেই তেওঁৰ শ্ৰেষ্ঠ উপন্যাস হিচাপে সমালোচকসকলে চিহ্নিত কৰিছে। প্ৰবীণা শইকীয়াই *উত্তৰায়ণ* (১৯৬৭) ৰচনা কৰিছিল।

মূলতঃ গল্পকাৰ ৰূপে প্ৰসিদ্ধ লক্ষ্মীনন্দন ৰাই ষাঠিৰ দশকতে *নিশাৰ পূৰবী* (১৯৬২)ৰে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ *গঙা চিলনীৰ পাখি* (১৯৬৫) লিখি অধিক জনপ্ৰিয়তা অৰ্জন কৰে।

এইসকলৰ উপৰি আৰু বহু ঔপন্যাসিক-ঔপন্যাসিকাই ৰামধেনু যুগত বিভিন্ন উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটিৰ শ্ৰীবৃদ্ধিত অৰিহণা যোগাইছে। অসমীয়া উপন্যাসৰ বিষয়ে কৰা এই আলোচনাটিত পৰিস্ফুট হৈছে যে ৰামধেনু যুগত অসমীয়া উপন্যাসে বিষয়বস্তু আৰু কলা-কৌশলৰ বৈচিত্ৰ্যৰে উদ্ভাসিত হৈ উঠিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

(ক) *জীৱনৰ বাটত* উপন্যাসৰ পটভূমি চাহ বাগান আৰু চৰিত্ৰাৱলী সৱহখিনি বাগানৰ বনুৱা।

(খ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য জ্ঞানপীঠ বঁটাৰে বিভূষিত প্ৰথমজন অসমীয়া সাহিত্যিক।

(গ) *অসীমত যাৰ হেৰাল সীমা* উপন্যাসখনেৰে অসমীয়া উপন্যাস সাহিত্যত আচহুৱা পৰিৱেশত মনোৰম কাহিনীৰে ৰোমাণ্টিক পৰিৱেশ সৃষ্টি কৰি উপন্যাস ৰচনা কৰা পৰম্পৰা আৰম্ভ হয়।

.....

প্ৰশ্ন নং ৫ ঃ জীৱনীমূলক উপন্যাস মানে কি?

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জোনাকী যুগৰ সাহিত্যৰ ভেটিতে গঢ় লৈ উঠা এক বিকাশমান অৱস্থাই হ'ল ৰামধেনু যুগৰ অসমীয়া সাহিত্য। জোনাকী যুগত যিসকল লেখকে বিভিন্ন প্ৰকাৰৰ সাহিত্যৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছিল, সেইসকলৰ অন্তৰ্গত বহুকেইগৰাকী লেখকে ৰামধেনু যুগতো বিশিষ্ট অৱদান আগবঢ়াই গৈছে। তদুপৰি কেইবাজনো প্ৰতিভাশালী লেখকৰো এই সময়ছোৱাত আত্মপ্ৰকাশ ঘটিল। এই যুগটোৰ সময়সীমা হ'ল ১৯৪০-১৯৭০।
- এই সময়ৰ সাহিত্যৰাজিক সূচাবলৈ অসমীয়া সাহিত্যত 'স্বৰাজোত্তৰ কালৰ অসমীয়া সাহিত্য'

আৰু 'যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্য' — অভিধা দুটিও ব্যৱহাৰ কৰা হয়। আনহাতে ৰামধেনু যুগ অভিধাটি প্ৰয়োগ কৰাৰ প্ৰধান ভিত্তি হ'ল ১৯৫১ চনৰ পৰা প্ৰকাশ পোৱা *ৰামধেনু* নামৰ আলোচনীখন। এই আলোচনীখনে অসমীয়া সাহিত্যৰ নতুন প্ৰবাহটোক অধিক শক্তিশালী কৰি তোলে আৰু এক নব্য মাত্ৰা প্ৰদান কৰে। সেই বাবেই তেনেদৰে নামকৰণ কৰা হৈছে। অৱশ্যে এই তিনিওটা নামে দ্ব্যৰ্থকতা বহন নকৰে।

- অধ্যায়টিত ৰামধেনু যুগৰ পটভূমি সম্পৰ্কেও চমুকৈ আলোচনা দাঙি ধৰা হৈছে।
- অধ্যায়টিত আলোচ্য সময়ছোৱাত সাহিত্যৰ দুটা প্ৰধান ঠাল — কবিতা আৰু উপন্যাস সাহিত্যক কোন কোন সাহিত্যিকে নিজস্বধৰণে সমৃদ্ধ কৰিছিল সেই বিষয়ে উল্লেখ কৰাৰ লগতে প্ৰধান প্ৰধান সাহিত্যিকসকলৰ সাহিত্যকৃতি সম্পৰ্কে চমুকৈ আলোচনা দাঙি ধৰা হ'ল।



১৪.৫ অধিক জানিবলৈ

১) *কটকী, চন্দ্ৰ* (২০০৪); *আধুনিক অসমীয়া কবিতা;* গুৱাহাটী।

২) ঠাকুৰ, নগেন (সম্পাঃ) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৩) তালুকদাৰ, নন্দ (২০০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) বৰগোহাঞি, হোমেন (সম্পাঃ) (১৯৯৮); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম।

৬) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০২); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৭) বৰুৱা, প্ৰহ্লাদ কুমাৰ (২০০৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন*; গুৱাহাটী ঃ বনলতা।

৮) বৰুৱা, হেম; *আধুনিক সাহিত্য;* গুৱাহাটী।

৯) ভট্টাচাৰ্য, হৰিচন্দ্ৰ (১৯৭০); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি* ; গুৱাহাটী ঃ সেৱা কুটীৰ।

১০) ভৰালী, শৈলেন (২০০৮); *অসমীয়া নাটক ঃ স্বৰাজোত্তৰ কাল;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১১) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১২) ভৰালী, শৈলেন (১৯৭৮); *আধুনিক অসমীয়া সাহিত্য (দুটি তৰংগ)*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

১৩) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ্।

১৪) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ গতিধাৰা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৫) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৬) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৭) শৰ্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।



১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ চন্দ্রকুমাৰ আগৰৱালা আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যুৰ পাছত।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৪৩ চনত।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) অভিযান (খ) প্রগতিশীল সমাজ চেতনা (গ) নির্মলপ্রভা বৰদলৈ

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ উপন্যাসৰ মূল বিষয়বস্তু কোনো ব্যক্তিৰ জীৱন তেনে উপন্যাসকে জীৱনীমূলক উপন্যাস বোলে। মন কৰিবলগীয়া যে জীৱনীমূলক উপন্যাস কিন্তু জীৱনী নহয়। জীৱনীৰ আধাৰত ৰচনা কৰা উপন্যাসহে।



১৪. ৭ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

ক) ৰামধেনু যুগৰ অসমীয়া কবিতাৰ শুভাৰম্ভ ঘটিছিল কোন ধাৰাৰ কবিতাৰ যোগেদি?

খ) অসমীয়া সাহিত্যৰ প্রথম জীৱনীমূলক উপন্যাস কোনে ৰচনা কৰিছিল?

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰামধেনু যুগৰ কবিতাৰ বৈশিষ্ট্য সম্পর্কে চমুকৈ লিখক।

প্রশ্ন ২ ঃ চমুটোকা লিখক—

(ক) ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱা (খ) কবি নৱকান্ত বৰুৱা

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ জোনাকী যুগ আৰু ৰামধেনু যুগৰ কাব্য পৰিক্রমাৰ তুলনামূলক আলোচনা এটা প্রস্তুত কৰক।

প্রশ্ন ২ ঃ "প্রতীক, চিত্রকল্প আদি কবিতাৰ আংগিকসমূহে যুদ্ধোত্তৰ যুগ (প্রথম পর্ব)ৰ কবিসকলৰ হাততে সমৃদ্ধি লাভ কৰিলে, লগতে ইয়াৰ ফলত নতুন কবিতা কিছু পৰিমাণে জটিল হৈ পৰিল"— কথাষাৰৰ যুক্তিযুক্ততা প্রতিপন্ন কৰক।

প্রশ্ন ৩ ঃ ৰামধেনু যুগৰ অসমীয়া উপন্যাসৰ বিষয়ে এটি প্রবন্ধ লিখক।

*** ***** ***